# জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান
# তিনিচুকীয়া



# টোপাল

কলা আৰু সৃজনীমূলক শিক্ষা বিভাগ

Sansita Gogoi

# বৈপাল

## হাতে লিখা কবিতা পুথি

কলা আৰু সৃজনীমূলক শিক্ষা বিভাগ

জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান
তিনিচুকীয়া

ডি.এল.এড. চতুৰ্থ ষাণ্মাসিক
২০২০ - ২০২২

Scanned with CamScanner

## উপদেষ্টা মণ্ডলী

সঞ্চিতা গগৈ , অধ্যক্ষা, ডায়েট তিনিচুকীয়া
নয়নমণি ফুকন, প্ৰবক্তা, কলা আৰু সৃজনীমূলক শিক্ষা

বিত্তীয় সহায়ক : ভৱকান্ত সোণোৱাল

সম্পাদক : পল্লৱজ্যোতি মৰাণ

সহ :সম্পাদক : জয়শ্ৰী শইকীয়া
হেমাশ্ৰী বৰা

বেটুপাত : আলোকচিত্ৰ, সঞ্চিতা গগৈ, অধ্যক্ষা ,
ডায়েট , তিনিচুকীয়া


অলংকৰণ : কবিৰ নিজস্ব অলংকৰণ

কাৰিকৰী সহায়ক : ঘনশ্যাম হিৰা, সহকাৰী শিক্ষক কৰ্মশিক্ষা
স্বপ্নালী গায়ন (প্ৰশিক্ষাৰ্থী, ২য় ষাণ্মাসিক)
ৰাজীৱ শৰ্মা, কাৰ্যালয় কৰ্মচাৰী
ৰাজীৱ চেতিয়া, কাৰ্যালয় কৰ্মচাৰী

প্ৰকাশক : ডি.এল.এড. চতুৰ্থ ষাণ্মাসিক
২০২০-২০২২ বৰ্ষ

Scanned with CamScanner

# অধ্যক্ষৰ একলম




“ডায়েট” তিনিচুকীয়া চতুৰ্থ ষাণ্মাসিকৰ প্ৰশিক্ষাৰ্থী সকলে “টৌপাল” শীৰ্ষক হাতে লিখা এখনি “কবিতাপুথি” প্ৰকাশ কৰিবলৈ ওলোৱা খবৰে আহ্লাদিত কৰি তুলিছে। কবিতা পুথিখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত কাব্যিক প্ৰতিভা দশোদিশে বিকশিত হৈ পৰক লগতে কবিতা পুথিখনে নতুন চিন্তা উন্মেষ ঘটাব বুলি আশাবাদী।

শেষত, “টৌপাল” শীৰ্ষক কবিতা পুথিখনৰ সম্পাদককে প্ৰমুখ্যে কৰি প্ৰতিগৰাকী প্ৰশিক্ষাৰ্থীলৈ মোৰ তৰফৰ পৰা অভিনন্দন ও হিয়াভৰা শুভেচ্ছা জ্ঞাপন কৰিলোঁ। “টৌপালে” (কবিতা পুথি খনে) সৰ্বাংগ সুন্দৰ ৰূপত আত্মপ্ৰকাশ পাই কাব্যিক জগত খনত এক নতুন সোৱাদ দিয়ক তাৰে কামনা কৰিলোঁ।

ধন্যবাদেৰে,

সঞ্চিতা গগৈ
ভাৰপ্ৰাপ্ত অধ্যক্ষ
ডায়েট, তিনিচুকীয়া

Scanned with CamScanner

# পাতনি



কলা আৰু সৃজনশীল শিক্ষাই ছাত্ৰ-ছাত্ৰীক যি কোনো বিষয় গভীৰ আনন্দেৰে শিকিবলৈ উৎসাহিত কৰে। এই শিক্ষাই সৃষ্টিশীল প্ৰক্ৰিয়াত জড়িত হ'বলৈ, নিজৰ প্ৰতিভাৰে পৰ্যবেক্ষণ, কল্পনা, ধৈৰ্য আৰু শৃংখলাৰে আত্মপ্ৰকাশ কৰিবলৈ প্ৰেৰণা যোগায়। বিশ্বৰ বিভিন্ন কলাসন্মত প্ৰতি-ৰূপবোৰ আৰু বিভিন্ন সংস্কৃতিৰ মাধ্যমেৰে সুন্দৰতম ভাৱবোৰ বিকশিত কৰে। জীৱন সুন্দৰ কৰি কলাৰ মাধ্যমেৰে সৌন্দৰ্য্য আৰু সমন্বয়ৰ ভাৰসাম্য ৰক্ষা কৰিবলৈ সমৰ্থ হয়।

কলা আৰু সৃষ্টিশীল শিক্ষাই চাৰু-কাৰু কলা, পৰিবেশ্য কলা, সাহিত্যৰ উপাদানেৰে সমৃদ্ধ কৰি সাধুকথা, কবিতা আবৃত্তি, নৃত্য-গীত, ছবি অঁকা, ৰং দিয়া আদি কৌশলৰ দিশবোৰ সন্নিবিষ্ট কৰে। এই বিকাশমুখী শিক্ষা ব্যৱস্থাই সৃষ্টিশীল লিখন কৌশলো সামৰি লয়। এইদৰে গল্পলিখা, কবিতা লিখা আৰু উপন্যাস লিখাৰ দৰে দিশসমূহো বিকশিত কৰে।

চতুৰ্থ ষাণ্মাসিক পাঠ্যক্ৰমৰ অনুশীলনীৰ অংশ হিচাপে প্ৰশিক্ষাৰ্থীসকলক এইবাৰ "বৰষা ঋতুৰ" পটভূমিত নিজৰ ভাৱকল্পনাৰে এটিকৈ কবিতা লিখিবলৈ দিয়া হৈছিল। সেই অনুক্ৰমে প্ৰশিক্ষাৰ্থী-সকলেও শ্ৰেণীকোঠাৰ মাজতে নিজৰ সৃষ্টিশীল ভাৱ কল্পনাৰে লিখা লিখনিবোৰ যুগুতাই এখনি হাতে লিখা কবিতাৰ পুথি "টোপাল"ৰ প্ৰস্তুত কৰা হয়।

Scanned with CamScanner

উক্ত হাতে লিখা কবিতা পুথিখনি প্ৰকাশৰ বাবে উৎসাহ আৰু উদগনি আগবঢ়োৱা আমাৰ প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ মাননীয় অধ্যক্ষ শ্ৰীযুক্তা সঞ্চিতা গগৈক শলাগ আৰু কৃতজ্ঞতা জনাইছো । চতুৰ্থ ষাণ্মাসিকৰ প্ৰশিক্ষাৰ্থীসকলে তেওঁলোকৰ সুন্দৰ ভাৱ অনুভূতিবোৰ কবিতাৰ মাধ্যমেৰে প্ৰকাশ কৰি সহযোগীতা আগবঢ়োৱাৰ বাবে তেওঁলোকক ধন্যবাদ জনাইছো । এই আঁচনিখন সফল ৰূপায়নত বিভিন্ন প্ৰকাৰে সহযোগীতা আগবঢ়োৱা জ্যেষ্ঠ প্ৰবক্তা, প্ৰবক্তা, কাৰ্য্যালয়ৰ কৰ্মচাৰীবৃন্দৰ লগতে দ্বিতীয় আৰু চতুৰ্থ ষাণ্মাসিকৰ প্ৰশিক্ষাৰ্থীসকলকো মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো ।

নয়নমণি ফুকন
প্ৰবক্তা,
ডায়েট, তিনিচুকীয়া

Scanned with CamScanner

# সম্পাদকীয়



কবিতা হৈছে মানুহৰ সুখ-দুখ, হাঁহি-কান্দোন, অভিজ্ঞতাৰ শব্দ প্ৰকাশ। মনৰ অনুভৱবিলাক কাব্যিকভাৱে প্ৰকাশ কৰা এটি কবিতা আৰু কবিতাপুথি সকলোৰে অনুভৱ-অভিজ্ঞতাৰ দাপোন। কবিতাৰ সৃষ্টিৰ আঁৰত বহুতো কাৰক থাকে। বৰষুণ আৰু কবিতাও যেন দুয়োটা ইটো সিটোৰ লগত কোনোবাবিধে জড়িত। কত যে কবিতাৰ সৃষ্টিৰ উৎস এই বৰষুণ এই বাৰিষা, এই বৰষুণৰ ভিতৰত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, তিনিচুকীয়াৰ ২০২০-২২ বৰ্ষৰ চতুৰ্থ ষাণ্মাসিকৰ প্ৰশিক্ষাৰ্থী সকলে লিখা কবিতাৰ সংগ্ৰহালয় হৈছে এই কবিতাপুথি "টোপাল"।

বাৰিষাৰ বিশেষ সংকলন এই "টোপাল" কবিতা পুথিখনি সম্পাদনা দায়িত্ব সোঁক দিয়াৰ বাবে আৰু সকলো ধৰণৰ সহায় সহযোগ আগবঢ়োৱাৰ বাবে প্ৰশিক্ষণ প্ৰতিষ্ঠানটোৰ সন্মানীয় অধ্যক্ষ মহোদয়া অঙ্কিতা গগৈ বাইদেউ আৰু সন্মানীয় প্ৰবক্তা নয়নমণি ফুকন বাইদেউলৈ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ। লগতে সম্পাদনাৰ দায়িত্বত সহায় আগবঢ়োৱা সমিতিৰ সকলো সদস্য/সদস্যাক ধন্যবাদ জ্ঞাপন কৰিলোঁ। কবিতা পুথিখনিৰ বেটুপাতৰ বাবে আলোকচিত্ৰ এখনি প্ৰস্তুত কৰি পুথিখনি আকৰ্ষণীয় কৰি তোলাৰ বাবে সন্মানীয় অধ্যক্ষ অঙ্কিতা গগৈ মহোদয়াক ধন্যবাদ জনালোঁ।

এই কবিতাপুথিখনে সকলো সময়তে বাৰিষাৰ আমেজ দিব বুলি মই ভাবো। "টোপাল" সদায় সতেজ হৈ থাকে যেন।

ধন্যবাদ

পল্লৱজ্যোতি মৰাণ
সম্পাদক (টোপাল)

Scanned with CamScanner

# সূচীপত্র


| কবিতাৰ শিৰোনাম | কবি | পৃষ্ঠা |
| --- | --- | --- |
| বৰষুণৰ খেমালি | ধ্রুৱজ্যোতি শন্দিকৈ | ১ |
| বৰষা আঁহিছোন নামি | পংশী মৰাণ | ২ |
| বাৰিষাৰ আগমন | নিশিতা শইকীয়া | ৩ |
| বাৰিষাৰ আগমন | জয়শ্রী শইকীয়া | ৪ |
| বৰষাৰ আগমন | পল্লৱজ্যোতি মৰাণ | ৫ |
| এজাক বৰষুণ | পাপৰি সোণোৱাল | ৬ |
| বাৰিষাৰ আগমন | ডিম্পলী চেতিয়া | ৭ |
| বাৰিষাৰ আগমন | চিস্মা ঠাকুৰীয়া | ৮ |
| বৰষাৰ আগমন | ধাম্মা দেৱ | ৯ |
| বৰষাৰ আগমন | প্রিয়ংকা সোণোৱাল | ১০ |
| বৰষাৰ আগমন | ডিম্পলী মৰাণ | ১১ |
| বাৰিষা | ডিম্পলী বড়া | ১২ |
| বৰষা | ময়ূৰী গগৈ | ১৩ |
| বৰষুণ | সঞ্চয়িতা চেতিয়া | ১৪ |
| বৰষাৰ আগমন | প্রতিক্ষা বৰুৱা | ১৫ |
| বৰষাৰ আগমন | স্বপ্না দাস | ১৬ |
| বৰষাৰ আগমন | জুনু ছেত্রী | ১৭ |
| বাৰিষাৰ বৰষা | জয়শ্রী বৰশইকীয়া | ১৮ |
| বৰষাৰ আগমণ | দীপশিখা শইকীয়া | ১৯ |
| বৰষাৰ আগমণ | গীতা বসু | ২০ |
| Welcoming Monsoon | Rittika Paul | ২১ |
| Summer Bliss | Drowpadi Chetry | ২২ |
| Welcome the rain whatever she contain | Karishma Upadhyay | ২৩ |


Scanned with CamScanner

| কবিতাৰ শিৰোনাম | কবি | পৃষ্ঠা |
|---|---|---|
| Rain | Priyanka Bharati | ২৪ |
| Dear Monsoon | Hiranya kumar Das | ২৫ |
| Monsoon | Satyan Paul | ২৬ |
| Rain and the past | Binita Sharma | ২৭ |
| Monsoon | Hemash | ২৮ |
| Monsoon | Deepamoni Hazarika | ২৯ |
| वसंत ऋतु | रिकी मजूमदार | ৩০ |


Scanned with CamScanner

# বৰষুণৰ খেমালি

- ধ্রুৱজ্যোতি সন্দিকৈ
- চতুৰ্থ ষাণ্মাসিক
- ৰোল নং: ২০


টিপ টিপ টিপ কৈ
বৰষুণ পৰিছে
মইনাহঁতে কাগজৰ নাও সাজিছে ।

টোপ টোপ টোপ কৈ
বৰষুণ সৰিছে
মইনাহঁতে চোতালত পানী খেলিছে ।



টীপ টীপ টীপ কৈ
বৰষুণ নামিছে
মইনাহঁতে পুখুৰীত বৰশী টোপাইছে ।

ৰিম্ ঝিম্ ৰিম্ ঝিম্
বৰষুণ আহিছে
মনত পৰে শৈশৱৰ সেই দিনবোৰলে ।



Scanned with CamScanner

# বৰষা আঁহচোন নামি

— পংখী মহান



বৰষা আঁহচোন নামি,
গছ- লতিকাই
আছে তোমালৈ বাট চাই
বৈ আছে জীপাল হ'বলৈ।
বৰষা, আঁহচোন এবাৰ।
তুমি আহিলে,
গছবোৰে হাঁহি উঠে,
নৈখনো ডৰুন হৈ পৰে,
পথাৰখনকো সেউজীয়া কৰে,
তোমাৰ আগমনে।
আঁহচোন বৰষা,
এবাৰ তিতাই তোলাহি আমাক,
উটুৱাই নিয়াহি মনৰ ধূলিবোৰ,
ধুৱাই নিয়াহি হৃদয়বোৰ,
বৰষা আঁহচোন এবাৰ।

# বাৰিষাৰ আগমন

বাৰিষা তুমি নামি আহা
এই খৰালৈ,
সেউজীয়াবোৰক খুই জীপাল কৰা
তোমাৰ গতিৰে।

চহা মাটি গোন্ধ লোৱা
খেতিয়কৰ ভেঁজে,
টোপালৰ ৰূপে দিয়ে
সপোনৰ আঁক।

- নিশিতা শইকীয়া
- চতুৰ্থ ষাণ্মাসিক
- ৰোল নং : ৫৩





Nishi


# বাৰিষাৰ আগমন

জয়শ্ৰী শইকীয়া

টোপ টোপ টোপ কৰি
কৰ্ণ গহ্বৰত মৃদু স্পৰ্শ কৰি
প্ৰাণময় বৰষুণ আহে নামি ।

বৰ্ষাৰ স্পৰ্শত অপৰূপা হয়
সদ্যস্নাতাৰূপী ধৰিত্ৰী আই ।
ভেকুলীৰ টোৰটোৰণিত যেন
বৰ্ষাৰ তোলপাৰ লাগে

কৃষকৰ নাঙলৰ শীৰলুত সপোন ৰচাৰ
যো-জা চলাই ক্লেদান্ত সোণে
মেঘময় আকাশৰ গুঞ্জময় গোঁজৰণি
বৰ্ষাৰ আগমনী গীত হৈ বাজে ।
ন-বৰষাৰ মাদকতা হৈ ৰয়
জিৰজিৰোৱা এক নিচ্ছল স্বচ্ছলতা ।
বুকুত পেলে লহৰ টোপ টোপ বৰ্ষাৰ
সৌ-সনা আকুলতা ।
সীমাহীন ভাল লগা
বৰ্ষাৰ লয়-লাস্য,
ধৰিত্ৰী বোৱাই তোলে
সুমধুৰ মূৰ্চ্ছনাত
বৰ্ষাৰ আগমনত নাচে [illegible]
নাচে ছোৱা খেতিয়কৰ হৃদে ভৰা দেখাটি,
বৰ্ষাই যেন নাচে
ছন্দোময় ঝংকাৰ হৈ,
প্ৰকৃতি বোৱাই তোলে
মুকুতা ভৰা বৰষুণ হৈ ।।





Scanned with CamScanner

# বৰষাৰ আগমন

- পল্লৱজ্যোতি মহান
- ৰোল নং : ১০

টোপ টোপ কৈ সৰা বৰষুণৰ টোপালত
সেউজী হ'ল ধৰণী ধৰা ,
নৈ-বিল, জান-জুৰি পানীৰে উপচি পৰিল
মাছ-কাছৰ আনন্দৰ মেলা ।
হালোৱা ওলাল পথাৰলৈ বুলি
মূৰত জাপিটি লৈ ,
ল'ৰা ছোৱালী ওলাল বিদ্যালয়লৈ বুলি
ৰঙা নীলা ছাতি লৈ ।
মাছ মৰীয়া ওলাল মাছ মাৰিবলৈ
কান্ধত লৈ চেপা ডিঙেৰা ,
গাঁৱৰ নলা পুখুৰীত ল'ৰা ছোৱালীবোৰে
বৰশী টোপাইছে চোৱা ।
কৃষিয়াৰ বৰষুণত বানপানী কবলত
অসমৰ বহুতো জিলা
কৃষিয়াৰ বৰষা যেন আশীৰ্বাদ নহৈ
অভিশাপ হৈ পৰিছে এতিয়া ।



# এজাক বৰষুণ

– পাপৰি সোণোৱাল

নিয়ৰ সনা এচাতি বৰষুণ
প্ৰতিটো টোপালতে ভৰি আছে
অহানিৰ সেই যে মধুৰ স্মৃতিবোৰ
সেই যে বৰষুণজাক
কিমান যে মধুৰ আছিল
ল'ৰালিৰ সেই যে হাঁহি খেমালিবোৰ
কাগজৰ নাও সাজি
বৰষুণত তিতি তিতি
হেপাহ পলুৱাই কিমান যে
স্ফূৰ্তি কৰিছিলোঁ
ধাৰাসাৰে অহা এজাক বৰষুণে
উটুৱাই নিছিল সৰু সৰু
অভিমান, কান্দোনবোৰ
লগত লৈ আহিছিল এটি
মিচিকিয়া শান্তিৰ হাঁহি।
ল'ৰালিৰ স্মৃতি বোৰৰ
আৱেগেই বেলেগ
ভাবিলেই বুকুখনি শাঁত পৰি যায়
বৰষুণজাক আহিলেই স্মৃতি বোৰে
বৰকৈ আমনি কৰিব ধৰে।
সচাঁকৈ ভালপোৱা স্মৃতিবোৰৰ
অনুভূতিয়ে বেলেগ, উফ্
কি যে মধুৰ স্মৃতি।



# বাৰিষাৰ আগমন

- ডিম্পী চেতিয়া
- ৰোল নং : ৪৯

বাৰিষাৰ কেচাঁ মাটিৰ সুগন্ধই
বৰকৈয়ে আপ্লুত কৰে মোক
উজাগৰী নিশা অনুভৱ কৰোঁ মই
বাৰিষাৰ আগমনৰ প্ৰথম
বৰষুণ জাকৰ মাদকতা
বাৰিষাৰ আগমনে দিয়ে মোক
চহা জীৱনৰ, আপোনত্ব সুবাস ।
পথাৰৰ কেচাঁ মাটিত সৰি পৰে
কৃষকৰ প্ৰাণচঞ্চলা হাঁহিৰ অংকুৰণ
বাৰিষাৰ আগমনৰ বৰষুণজাকে আনি দিয়ে
পৃথিৱীৰ বুকুলৈ সৃষ্টিৰ বীজ সিঁচাঁৰ প্ৰেৰণা,
কৃষি প্ৰাণ নিভাজ গাঁৱলীয়া সমাজখনত
বাৰিষা বুলিলেই জীপাল হৈ পৰে
কৃষকৰ সপোন সেউজীয়া
জীপাল পথাৰখন ।
ব্যস্ত হৈ পৰে সকলো কৃষক
কি ৰ'দ, কি বৰষুণ !
সকলোকে নেওচি সপোন পূৰণ কৰে মাথোঁ
কৃষকৰ বহল পথাৰখনত,
সেউজীয়া হৈ পৰে নতুনৰ গজালি ।
সপোনৰ সন্ধানত ধাৱমান চাৰিওফালে,
বাৰিষাৰ পৰশ লাগি নাচিব ধৰে সপোনবোৰে,
আহ: কি এক প্ৰশান্তিৰ মাদকতা,
বাৰিষাৰ আগমনে দিয়ে
এক অতুলনীয় সমাহাৰ ।



Scanned with CamScanner

# বাৰিষাৰ আগমন

চিন্ময় ঠকুৰীয়া

আজি যেন বৰষুণৰ টোপালবোৰ
ঘনকৈ পৰিছে ,
গছ লতাবোৰ আনন্দত
হালিছে জালিছে।
ধৰণীখন তিয়াই তুলিছে
হয় বৰষা আহিছে,
বৰষা আহিছে।
বসন্তৰ জাননীয়ে
বৰষা নমাইছে
ধৰণীখন সুন্দৰ কৰি তুলিছে
ৰিমঝিম ৰিমঝিম বৰষুণৰ টোপালবোৰে
মন আনন্দিত কৰি তুলিছে,
নাহৰ ওপৰ কপৌ ফুলি
সুগন্ধ বিলাইছে,
কুলি কেতেকীয়ে চৌপাশ মুখৰিত
কৰি তুলিছে
চৌদিশে বাৰিষাৰ আগমনক
আদৰণি জনাইছে,
হয় বাৰিষা আহিছে
বাৰিষা আহিছে।

Scanned with CamScanner

# বৰষাৰ আগমন

- ঋষা দেৱ

মাতিলেই নামি নহা বৰষুণজাক যেন
নমতাকৈ আহিলে,
সৌৱা চোৱা ! আকাশত ভাঠ ডাৱৰ
মেঘে ৰবকৈ গাজিছে।
মনটো যেন চঞ্চল
বতাহ জাকৰ সৈতে বিলীন হৈ পৰিছে
সেমেকা বতৰ যদিও,
বৰষুণ জাকে মোৰ বাবে প্ৰিয় হৈ পৰিছে।
গছ-লতা, চৰাই-চিৰিকটি, জীৱ-জন্তুৱেও
যেন পূৰ্ণতা লাভ কৰিছে।





Scanned with CamScanner


# বৰষাৰ আগমন


– প্ৰিয়ংকা সোণোৱাল

বৃষ্টিৰ ধ্বনি মোৰ প্ৰিয়
নিৰ্ভেজ শব্দৰ
চৌদিশে কি সুন্দৰ পৰিৱেশ

সেই যে বৃষ্টিৰ সৈতে
মধুৰ বতাহজাক
মন দেহ নিভাঁজ কৰিছে

বাৰিষা সেই
মাটিৰ সুগন্ধি সুবাস
মন যেন আকৌ
কাগজৰ নাও লৈ
ঢাপলি মেলিছে





# বৰষাৰ আগমন

বৰষাৰ আগমনে
ধৰণী সজালে,
লেটেকু গছৰ ডালত
কুঁহিপাত মেলিলে।

বৰষাৰ আগমনে
বগলীক মাতিলে,
গছৰ ডাল ভৰি
কপৌফুল ফুলিলে।।

বৰষাৰ আগমনে
জেঠক আদৰিলে,
কৃষকে নাঙলত
মুঠি মাৰি ধৰিলে।

বৰষাৰ আগমনে
আহুৰক মাতিলে,
আম - কঁঠাল আদিৰে
গছৰ তল ভৰিলে।।

ডিম্পী মৰাণ

# বাৰিষা

— জিম্পী বড়ো

পুৰণিক সামৰি নতুনক আদৰি
চ'তৰ শেষত
গছে বনে, ন কুঁহিপাতে
সাজোনে কাচোনে ৰঙিলী-পমিলি হৈ
ৰঙালী আহে সীমাহীন আনন্দৰে
সময়ৰ গতিত ৰঙালীৰ বাটে
বাৰিষা অহাৰ জাননী দিয়ে
গছ লতা তৰু তৃণ সকলোৱে এক কৰি
প্ৰকৃতিৰ বুকুত বাৰিষাৰ যাত্ৰা আৰম্ভ কৰে
যেমন পায় কৃষক বন্ধু সজাগ হয়
নাঙলে যুৱলি জাপি সৈ যতনাই লৈ
আশাৰে বাট চাই ৰয় হালোৱাই
ঘোৰনীসকলে অনা চাহ জলপান খাবলৈ।



# বৰষা

— ময়ূৰী গগৈ
— ৰোল নং : ৫২

ৰিমঝিম বৰষা
শাওনৰ ভৰৰ ফালি
পুনৰ টোপ টোপ টোপালেৰে
ধৰা জীপালে কৰিবলৈ তই পুনৰ আহিলি
বৰষা ....
ঐ এইবাৰ তই লগত বান্ধি আনিবি
এচেৰেঙা সপোনৰ চাকনৈয়া
মোৰ কৃষক পিতায়ে আশাৰ ডিঙেৰা
বান্ধিছে ....
কত যে সেউজীয়া সপোন
জীপালে হৈছে তোৰেই ভৰষাত
বৰষা মোৰ উকুখা পঁজাত
গুজি যাবি আঘোনৰ সোনালী সপোন
বৰষা নানিবি দেই ভেটা ভঙা বানৰ আৰ্তনাদ
মই যে তেনেই নিঠৰুৱা
এইবাৰ তোৰ বুকুত ৰচিম মোৰ হৃদয়ৰ গোপন
বেথা ....
হেঁপাহৰ বৰষা নামি আহ
দুহাত মেলি মই আজলি পাতি ধৰিম ....আৰু
তোৰেই জিৰ্ জিৰ্ টোপালত পুনৰ ৰচিম নতুনৰ
জয়গান ।

# বৰষুণ

সঙ্ঘমিতা চেতিয়া

মুকলি আকাশতে মেঘে কলা ডাৱৰে
সাজিছে আন্ধাৰৰ দিন,
চাৰিওফালে বিজুলীয়ে পোহৰায়
তুলে প্ৰকৃতিৰ ৰূপ

ৰিম জিম কি অহা বৰষুণ জাকে
আহে পথাৰৰ মাটি জীপাল কৰি
আনন্দৰে ভৰি পৰে কৃষক,
দুখভৰা জীৱনৰ আনুনাৰ সাৰথী হৈ কয় বৰষুণ।

শইচৰে সেউজীয়া হৈ পৰে
পথাৰৰ কৃষকৰ শ্ৰমত্যাগৰ মাটি।
প্ৰতিটোপাল বৰষুণে সাতৰঙী
পাখি মেলি কাটিয়াই বতৰ।



Scanned with CamScanner



# বৰষাৰ আগমন


— প্ৰতিক্ষা বৰুৱা

— ৰোল নং : ৩৭


বৰষাৰ আগমনে   এই শুকান পৃথিৱীখন
পুনৰ উজ্জীৱিত কৰি তুলিছে ।

টোপালে টোপালে   বৰষুণ জাকত
ফুলবোৰে সালি জালি নাচিছে ।

বৰষাৰ আগমনত   গছ লতিকাবোৰো যেন
প্ৰাণ পাই উঠিছে ।

বৰষুণত তিতি বুৰি   মইনাহঁতে
কাগজৰ নাও লৈ খেলিছে ।

বৰষাৰ আগমনে   যেন সকলোলৈ
আনন্দৰ বতৰা আনিছে ।



# বৰষাৰ আগমন



বৰ্ষা ..... এটি ঋতু
যাৰ সুবাসে মোৰ মন,
আপ্লুত কৰি ধৰণীক
ন সাজেৰে সজাই ।

বহাগৰ আগমন আহিবৰ হ'ল
বৰ্ষা ধৰালৈ নামিবৰ হ'ল,
গছৰে ডালেতে ফুল ফুলিছে
ফুলিৰে সাতে ব'হাগ আহিছে ।

কিনো ৰূপে ধৰি আহিছা ব'হাগী
প্ৰকৃতিৰ ৰূপ কৰিছা সলনি,
গছে পাত সলালে প্ৰকৃতিৰ বুকুতে
ডালে ভৰি ভৰি ফুলিছে ন কুঁহিপাতে ।

কুলি, কেতেকী বিহগীয়ে জুৰিছে গীতটি
মোৰো মনত নাই ভৰনি ,
আহা হে ব'হাগী তুমি যে দোষি ;
চাৰিওফালে বাজি উঠিছে
ঢোল , পেঁপা , তালৰ গুমগুমনি ।

চাৰিওফালে প্ৰকৃতিৰ অপৰূপ সুন্দৰ
আকাশে বতাহে যেন দিছে বতৰা
বৰ্ষা হ'ল আশাৰে জানি ধৰা

— স্বপ্না দাস




Scanned with CamScanner

# বৰষাৰ আগমন



বৰষাৰ আগমন ঘটাৰ লগে লগে
অকাশত বিজুলীৰ চকমকনি,
দেখা দিছে
চৌদিশে বৰষাৰ পানীয়ে ওপটি পৰিছে
দীৰ্ঘদিন ধৰি অপেক্ষাৰ অন্তত
আজি প্ৰকৃতিয়ে, ধৰিত্ৰীয়ে
প্ৰাণ পায় উঠিছে ।
কৃষিজীৱী ব্যক্তিৰ অপেক্ষাৰ
এই দিন আজি
পূৰ্ণ কৰি তুলিছে ।
চাৰিওদিশে ভেঁকুলীয়ে টুৰটুৰাইছে
মাজে সময়ে সময়ে
পখিলাই পাখি মেলি
নাচি-বাগি ফুৰিছে ।
তাকে দেখি কন কন শিশু সকলে
আনন্দৰ লহৰ তুলিছে ।



— জুনু ছেত্ৰী
— ৰোল নং ঃ ৩৪



Scanned with CamScanner

# ঝিৰিঝিৰে বৰষা

– জয়শ্ৰী বৰশইকীয়া
ৰোল নং : ০৮

ঝিৰিঝিৰে বৰষাত
নামি আহে গিৰিষাত ।
এটোপে দুটোপকৈ সৰি পৰে বৰষুণৰ পানী
বৰষুণৰ পানী পৰি ভৰি যায় নদী আৰু জান-জুৰি
ঝিৰিঝিৰে বৰষাত
নামি আহে গিৰিষাত ।
বৰষুণৰ পানীয়ে পৃথিৱীলৈ কঢ়িয়াই আনে এক
নতুন জীৱন
মাছ-কাছ , জীৱ-জন্তু আদি সকলোৱে পাই জীৱনৰ
এক নতুন শিহৰণ ।

ঝিৰিঝিৰে বৰষাত
নামি আহে গিৰিষাত ।
নতুন জীৱনৰ হৈ এক নতুন অনুভৱ
নতুন অনুভৱৰ হৈ এক নতুন অনুকষন



# বৰষাৰ আগমন

– দীপশিখা শইকীয়া
– ৰোল নং: ১৬

বৰষাৰ ধ্বনিত যেন
মন মোৰ আকৌ
শৈশৱৰ সময়লৈ
ধাপলি মেলিছে ।

সেই যে শৈশৱৰ কাগজৰ নাও
কি যে ধুনীয়া দিন
সৰু মনটোত যেন
এক বিশাল আনন্দ জাগি উঠিছিল ।

বাৰিষা মোৰ প্ৰিয়
কিন্তু এই বাৰিষাৰ আগমনে
কাৰোবাৰ পথাৰত যেন ছটিয়াইছে
কাৰোবাৰ বুকুত বিষ ।

কিয়নো বৰ লুইতৰ কাষত
এটা বছৰত যেন তেন খিয় কৰা ঘৰটি
পুনৰ উটি যোৱাৰ
দৃশ্য চোৱাৰ কাৰোবাৰ হয়তো
শক্তি আৰু নাই ।



# বৰষাৰ আগমন

- গীতা ৰয়
- ৰোল নং : ১৪



আজি বহু দিনৰ মূৰত এজাক বৰষুণ
ধৰণীৰ লগে লগে মোৰ মনটো যেন
জীপাল হৈ পৰিল ।
গছত কপৌ ফুলিলে,
নাহৰৰ, তগৰৰ ডালে ডালে
কুলিয়ে বিনালে ।
চৌদিশে বৰষাৰ আগমনে
বাৰ্তা জনালে ।
ধৰণীৰ লগতে সবে
বৰষাক আদৰি আনিলে ।



Scanned with CamScanner

# Welcoming Monsoon

By:
Rittika Paul

Heavens become cloudy,
And the Earth rejoices
at the drizzling drops.
Children run along the streets,
to enjoy the April shower.



When those first drops of monsoon
falls onto the Earth.
Musky, pleasant fresh smells amuses us.
One bird, the Cuckoo who sings in a hush tone;
Whose voice so lovely, so dear to us.
And all things that the monsoon blesses us with,
Brings forth hopes,
And washes away the heat.






Scanned with CamScanner

# Summer Bliss

By -
Drowpadi Chetry

The clatter of raindrops on the tin roof;
Takes me away into nostalgia.
The imaginings that were kept aloof;
Suddenly the mind dances in hysteria.



The days of thunder;
makes me wonder;
About the days of past,
Why those days ended so fast?

The black clouds in the sky;
makes my mind fly.
Into the world of imagination,
and of love, pleasure and passion.



Scanned with CamScanner

## Welcome the rain whatever
## She Contain

Karishma Upadhyay

There is something unique,
About the rain
She purifies all the human pain
Sometimes she gets cruel
on the earth,
And destroys all the sources of human
birth

Therefore she is unique to us,
We should welcome her forever
Because she gives life on earth
Forever and ever.






Scanned with CamScanner

# Rain!

By:
Priyanka Bharati

A drop of rain
Gives the life on the Earth
A drop of rain
Creates happiness amonst us.
It brings joy and hope
Sometimes has hidden mystery in store
After the dust and heat
Rains cleans all the street
Rain gives pleasurable feeling
And it soothes, purifies and heals
Washes away miseries of all beings.






Scanned with CamScanner



# Dear Monsoon



Hiranya Kumar Das

Oh! My dear Monsoon
Please care to come soon
All around there is a cry
As all lands are dry

Bring in your silver drops
For our awaiting crops
Fresh leaves on the trees are a few
With your coming all be a new

Oh! my dear monsoon
Please care to come soon
Come with all your grandeur
We'll celebrate each moment with splendour

Drench us with your fresh blessings
A new man is on the making
Oh! my dear monsoon
Please care to come soon



Oh! here you are
With lightning and thunder
You are a boon of Mother nature
To make our dry lives better.





Scanned with CamScanner

# Monsoon

Satyan Paul

How long will I wait for you
It's been months without you
My eyes are eagerly looking
For a brilliant sight of you



I hear a faint rumbling
Oh! blessed monsoon is that you
I see the sky light up
Is that a sign of you

Come give me your cool blessing
The thing that I have been missing
You are a thing of joy
Oh! monsoon come gushing.



Scanned with CamScanner

# Rain and the Past

Binita Sharma


As I lay down on my bed
I listen to the pitter patter on the roof
My mind is sad
And thoughts run aloof.

I walk down the memory lane
and think about the days, past
As I look at the water drops on the
window pane
I think about when I laughed last.

Here in this room I am confined
And full of suffocation and pain
I cried and whined
As I lay down and think about
days then.



Scanned with CamScanner



## Monsoon

Himashree Baruah

As I was walking one morning down the road,
Relishing the freshness in the monsoon weather,
My eyes look up as the monsoon clouds arrive,
The trees dancing to the tune of monsoon breeze,
The breeze blowing through the strands of my hair,
to and fro


The lush green environment around me,
The rain falling all over my soul,
And I can see myself drenched by the rain,
Drenched by the rain around,
The epiphany that the smell of the earth brings,

The landscape seems breathtakingly beautiful,
It seems like the scorched earth is breathing,
All of these are giving me a sense of rejuvenation,
Feelings to be cherished on forever and ever.



Scanned with CamScanner

# Monsoon



By,
Deepamoni Hazarika



Monsoon, what new hope you will bring to us!
Every droplets of water spread joyance,
People awaiting to sow seeds to make greenery,
Flowers and leaves bloom with a smiling face,
Oh! what a lovely season!
Children dancing in the rain,
Sailing rows of boats in water;
Rainbows flaunting to show the rays of happiness,
Beautiful weather amidst the beautiful nature.







Scanned with CamScanner

# वसंत ऋतु

रिकी मजूमदार

देखो वसंत ऋतु है आयी,
धरती पर उमंग है लायी।
गा रहा है सारा जहाँ,
नाच रहा है यह तन-मन।
धरती पर है, हरियाली छाई।
रंग-बिरंगे फूलों ने, खुशबू है फैलायी
चहक रहे है पक्षी आसमान के बादल मे
मन करता उड़ता फिरू उनके साथ में।





Scanned with CamScanner



Pallabjyoti Moran



Joyshree Saikia



Hemashree Baruah



Geeta Roy



Satyan Paul



Dimpy Moran



Parmita Dey



Drowpadi Chetry




Indrani Buragohain



Swapnali Gayan



Ghanashyam Hira



Bhaba kanta Sonowal



Rajib Sarmah



Rajib Chetia

Scanned with CamScanner



Scanned with CamScanner